

# অসম ডাইনী হত্যা

## (নিষেধ, প্ৰতিৰোধ আৰু সুৰক্ষা)

## আইন, ২০১৮-ৰ

# বিষয়ে জানো আহক

পিতৃতান্ত্ৰিক সমাজ এখনত ক্ষমতাৰ অসমানতাই মহিলাসকলক এক অসুবিধাজনক স্থানত ৰাখে য'ত তেওঁলোকক দমন কৰি নিয়ন্ত্ৰণত ৰাখিবলৈ নিৰ্যাতনক এক আহিলা হিচাবে ব্যৱহাৰ কৰা হয়। ডাইনী হত্যা এনে এক আহিলা। ডাইনী হত্যা অন্ধবিশ্বাস আৰু নিৰক্ষৰতাৰ পৰা বহু দূৰৈত আৰু ই জাতি, জনজাতি, ধৰ্ম বা ভাষাৰ সীমা নামানে। ডাইনী হত্যাৰ বলি হোৱা লোকৰ অধিকাংশই হৈছে মহিলা, যদিও কিছুমান পুৰুষকো ডাইনী হিচাপে অভিহিত কৰা হৈছে।

মানুহৰ ব্যক্তিগত দুখ, ৰোগ, শষ্যৰ ক্ষতি আৰু মৃত্যুৰ বাবে মহিলাসকলক দোষাৰোপ কৰি অহা হৈছে। স্বয়ম্ভূ বেজ, ওজা অৰ্থাৎ জৰা-ফুকা কৰা কবিৰাজবোৰে সমাজৰ স্বীকৃতি পাই শাস্তিৰ পৰা সাৰি যায় আৰু ৰাইজে ভুগি থকা বহুতো সমস্যাৰ সমাধান কৰিবলৈ সিহঁতে ডাইনী বুলি মহিলাক অপযশ দিয়ে। টিক্কৰ, ডাহিনিৰ, ৰামিনি, বাটেলগা, ডাইনাগড়, ডাইনী, ডায়ন, চিপ্পি, যখিনী-- এইবোৰ বিভিন্ন নাম ডাইনী অভিহিত মহিলাক দিয়া হয় । ই কেৱল এগৰাকী ব্যক্তিৰেই নহয়, বৰং ডাইনী বুলি বদনাম দিয়া লোকজনৰ মিতিৰ-কুটুমৰো হানি কৰে। মহিলাৰ বিৰুদ্ধে এয়া এক লিংগ-ভিত্তিক অপৰাধ। ই তেওঁৰ সুৰক্ষিত আৰু মৰ্যাদাসম্পন্নভাৱে জীয়াই থকাৰ অধিকাৰ উলংঘা কৰে। মানুহৰ সংঘাত, দুঃচিন্তা, ঈৰ্ষা চলাই ৰাখিবলৈ ইয়াক সহজভাৱে এনেধৰণে আহিলা হিচাপে ব্যৱহাৰ  কৰা হয় যাতে সমাজৰ কোনেও ইয়াত কোনো ধৰণৰ বিৰোধ বা হস্তক্ষেপ নকৰে। আনকি মানুহক সুৰক্ষা দিবলৈ দায়বদ্ধ চৰকাৰী পক্ষয়ো এইক্ষেত্ৰত নীৰৱ দৰ্শকৰ ভূমিকা লয়।

**২০২১ চনৰ ১৯ জুলাইত ৰাজ্য চৰকাৰে বিধানসভাত দিয়া তথ্য অনুসৰি, ২০১০-চনৰ ১ জানুৱাৰীৰপৰা ২০২১ চনৰ ৩০ জুনলৈ অসমত ১০০টা ডাইনী হত্যাৰ গোচৰ ৰুজু হৈছে। সঠিক অথবা লিংগ-ভিত্তিক তথ্য উপলব্ধ নহয়।**